# India participates at Strengthening Consensus for Peace – a regional meeting on Afghanistan

July 06, 2020

# শান্তিৰ প্ৰতি সমৰ্থন দৃঢ় কৰাৰ অৰ্থে আফগানিস্থানত অনুষ্ঠিত আঞ্চলিক বৈঠকত ভাৰতৰ অংশগ্ৰহণ

জুলাই06, 2020

ইছলামিক ৰিপাব্লিক অৱ আফগানিস্থানৰ চৰকাৰৰ দ্বাৰা অনুষ্ঠিত বৈঠক – 'শান্তিৰ প্ৰতি দৃঢ় সমৰ্থন'ত আন ক্ষেত্ৰীয় সহযোগীসকলৰ সৈতে ভাৰতেও অংশগ্ৰহণ কৰে ।আফগানিস্থানৰ ৰাষ্ট্ৰপতি এইচ.ই. ড° মোহম্মদ আশ্ৰফ ঘনীয়ে এই বৈঠকত সভাপতিত্ব কৰে ।২০খন দেশ আৰু ৰাষ্ট্ৰসংঘৰ লগতে আন আন্ত:ৰাষ্ট্ৰীয় সংস্থাসমূহে এই বৈঠকত ভাগ লয় ।ভাৰতৰ তৰফৰ পৰা যুটীয়া সচিবে (পিএআই) প্ৰতিনিধিত্ব কৰে।

ৰাষ্ট্ৰপতি ড° মোহম্মদ আশ্ৰফ ঘনীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী মোডীক তেওঁ আফগানিস্থানলৈ আগবঢ়োৱা ক'ভিড–19 সহযোগিতাৰ বাবে আৰু এই অঞ্চলত সমন্বিত প্ৰচেষ্টাৰ অৰ্থে চাৰ্ক ( SAARC) নেতাসকলৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জনায়।

এই বৈঠকত আফগান শান্তি আৰু পুনৰ মিলনৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত সমস্যাসমূহ আৰু এখন স্বাধীন, একত্ৰিত, গণতান্ত্ৰিক আৰু সাৰ্বভৌম আফগানিস্থান গঢ়াৰ বাবে ক্ষেত্ৰীয় অংশীদাৰসকলৰ সমৰ্থন আদি বিষয়ৰ ওপৰত আলোচনা কৰা হয় ।3 বিলিয়ন আমেৰিকান ডলাৰতকৈ অধিক বিনিয়োগেৰে আফগানিস্থানৰ এক অন্যতম বৃহৎ বিকাশ সহভাগী ভাৰতে এক আফগানিস্থান–পৰিচালিত , আফগানিস্থানৰ স্বকীয়, আফগানিস্থান–নিয়ন্ত্ৰিত এক শান্তি আৰু পুনৰ মিলনৰ প্ৰক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰে ।

ভাৰতে আফগানিস্থানৰ সাংবিধানিক শৃংখলা বজাই ৰখাৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে , যিয়ে আফগান সমাজৰ প্ৰতিটো শ্ৰেণীৰ যেনে মহিলা, শিশু আৰু সংখ্যালঘুসকলৰ আশা–আকাংক্ষা ৰক্ষা কৰিব।ভাৰতে এই কথাৰ ওপৰত গুৰুত্ব দিয়ে যে আফগানিস্থানত দীৰ্ঘস্থায়ী শান্তি লাভ কৰিবৰ বাবে সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদীসকলক আশ্ৰয় দিয়াটো বন্ধ কৰিব লাগিব।

**জুলাই06, 2020**
**নতুন দিল্লী**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.